অসম চৰকাৰ
শিক্ষা (কৰ্মচাৰী) বিভাগ।

নং- ই,পি,ই-১৭/৮৩/অংশ-২/৩৩ : দিনাংক-২২/৯/৮৭, দিশপুৰ।

প্ৰতি, :

(১) গুৱাহাটী মহকুমাৰ বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক

(২) দৰং জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক

বিষয় : '<u>পেন্সন প্ৰস্তাৱ।</u>'

মহাশয়,

নিৰ্দেশক্ৰমে জনাওঁ যে প্ৰাদেশিকিকৰণ বিদ্যালয় সমূহৰ অৱসৰ প্ৰাপ্ত শিক্ষক কৰ্মচাৰী বৃন্দৰ পেন্সন প্ৰস্তাৱত সাধাৰণ ভাৱে তলত দিয়া আসোঁৱাহ সমূহ ধৰা পৰিছে।

১। কৰ্মচাৰীজন স্থায়ী নে অস্থায়ী এই বিষয়ত স্থায়ীকৰণৰ হুকুম সেৱা পুস্তিকাত লিপিবদ্ধ কৰিব লাগিব। ২০ বছৰ তলত অস্থায়ী অৱসৰ প্ৰাপ্ত কৰ্মচাৰীৰ বেলিকা বিশেষ ভাৱে এই কথাটোত মন দিব।

২। জন্ম দিন আদি সংশোধনী কৰিলে তাত হুকুমৰ উল্লেখ থাকিব লাগে। সেৱা পুস্তিকাত নকল এখন ৰাখি থব।

৩। প্ৰাথমিক শিক্ষাৰ বেলিকা চাকৰীয়ালৰ চাকৰীকাল গণনা ১৯৫৪ চন বা তাৰ পিচৰ পৰা কৰিব। মাধ্যমিক শিক্ষাৰ বেলিকা বিদ্যালয়খনে adhoc Grant পোৱাৰ তাৰিখৰ পৰা হব।

৪। ৰিলিফ আৰু চিকিৎসা ভাট্টা চৰকাৰৰ ই,পি,ই-১৭/৮৩-অংশ/৪৮ তাং-২/৯/৮৭ নং চিঠি যোগে দিয়া নিৰ্দেশনা মতে হিচাব কৰিব।

সঞ্চালক বা চৰকাৰৰ পৰা নিৰ্দেশ নোপোৱা পৰ্যন্ত অৱসৰ প্ৰাপ্ত কৰ্মচাৰীৰ সেৱা পুস্তিকাসহ পেন্সন প্ৰস্তাৱ সমূহ সঞ্চালকলৈ পঠাব নেলাগে। যি বিলাক প্ৰস্তাৱ ইতিমধ্যে পঠাইছে অতিসোনকালে নথি-পত্ৰ বিলাক নিজ সঞ্চালকৰ কাৰ্য্যালয়ৰ পৰা ঘূৰাই নি সাৱধানে ৰখাৰ ব্যৱস্থা তথা ওপৰত উল্লেখ কৰা ভুলত্ৰুটি বিলাক দূৰ কৰাৰ ব্যৱস্থা লয় যেন। গুৱাহাটীৰ উপ-পৰিদৰ্শকৰ চিঠি নং-এচ,এম,টি-২৯/৮৭/১৮৬৪৯ তাং-১০/৯/৮৭ যোগে চৰকাৰে পোৱা পেন্সন প্ৰস্তাৱ দুটা লগত ঘূৰাই পঠোৱা হ'ল।

ভৱদীয়,
(শ্ৰী ভুবনেশ্বৰ ভট্টাচাৰ্য্য।)
সচিব,
শিক্ষা বিভাগ।

স্মারক-নং-ই,পি,ই-১৭/৮৩/অংশ-২/৫৩ : দিনাংক-২২/৯/৮৭, দিশপুর।
প্রতিলিপি বিহিত ব্যৱস্থার বাবে দিয়া হ'ল।

(১) বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক (সকলো) নিৰ্বিমসংস্ক

(২) বিদ্যালয় সমূহৰ পৰিদৰ্শক, (সকলো)

(৩) সঞ্চালক,মাধ্যমিক শিক্ষা।

(৪) সঞ্চালক,প্ৰাথমিক শিক্ষা লৈ দিয়া হ'ল।

আদেশানুক্রমে,

(শ্ৰী ভূবনেশ্বৰ ভট্টাচাৰ্য্য।)

সচিব,

শিক্ষা বিভাগ।

অ:ধৰ্মা।
২২০৯৮৭